নং ঃ ১৯২/২০২১

# চিৰাঙৰ বাসুগাঁৱত আয়োজিত সন্ত্ৰাসবাদবিৰোধী দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি জ'হ'লাও স'মল্লা বসুমতাৰীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## আত্মসমৰ্পণকাৰী এন ডি এফ বি কেডাৰসকলৰ পুনৰ সংস্থাপনৰ বাবে ১৬০ কোটি টকা ধাৰ্য কৰাৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩০ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাৰ বাসুগাঁৱৰ গয়বাৰীত নিখিল বড়ো ছাত্ৰ সন্থাই আয়োজন কৰা সন্ত্ৰাসবাদবিৰোধী দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে আৰু ১৯৯৬ চনৰ ৩০ জুলাইত সন্ত্ৰাসবাদীৰ হাতত মৃত্যুবৰণ কৰা সংগঠনটোৰ তদানীন্তন সভাপতি জ'হ'লাও স'মল্লা বসুমতাৰীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বড়ো জাতিৰ উন্নয়নৰ বাবে প্ৰয়াত জ'হ'লাও স'মল্লা বসুমতাৰীয়ে আগবঢ়াই যোৱা অৰিহণাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। সন্ত্ৰাসবাদবিৰোধী এই বিশেষ দিনটোতে সন্ত্ৰাসবাদক কলিতে মষিমূৰ কৰাৰ বাবে সংকল্পবদ্ধ হ'বলৈ তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়। সন্ত্ৰাসবাদী কাৰ্যকলাপত অৰিহণা যোগোৱা ড্ৰাগছ আৰু মানৱ সৰবৰাহৰ দৰে দুষ্কাৰ্য ৰোধ কৰি বিশ্বজনীন ভাতৃত্ববোধৰ ভেটিত প্ৰতিষ্ঠিত এখন সমাজ গঢ়াৰ বাবে একেলগে কাম কৰিবলৈও তেওঁ সকলো শ্ৰেণীৰ ৰাইজৰ প্ৰতি আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰয়াত জ'হ'লাও স'মল্লা বসুমতাৰীয়ে শান্তিৰ স্বাৰ্থত নিজৰ জীৱন উচৰ্গা কৰিছে, কিয়নো বড়োভূমিত শান্তি স্থাপনৰ প্ৰক্ৰিয়া ২৫ বছৰ আগতেই আৰম্ভ হৈছিল। বড়োভূমিত স্থায়ী শান্তি স্থাপনৰ ভেটিস্বৰূপ বড়ো শান্তি চুক্তি স্বাক্ষৰৰ দিশত গ্ৰহণ কৰা ভূমিকাৰ বাবে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ প্ৰতি নিজৰ কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে কয় যে শান্তি প্ৰক্ৰিয়াৰ পৰা নিজকে নিলগাই ৰখা অসন্তুষ্ট গোটসমূহেও সম্প্ৰতি মূল সুঁতিলৈ ঘুৰি আহি অঞ্চলটোত স্থায়ী শান্তিপ্ৰতিষ্ঠাৰ প্ৰক্ৰিয়াত চৰকাৰলৈ সহযোগিতা আগবঢ়াইছে। শান্তিপ্ৰক্ৰিয়ালৈ এন ডি এফ বিয়ে আগবঢ়োৱা সঁহাৰিৰ প্ৰতি লক্ষ্য ৰাখি সংগঠনটোৰ আত্মসমৰ্পণ কৰা কেডাৰসকলৰ পুনৰ সংস্থাপনৰ বাবে ১৬০ কোটি টকা ধাৰ্য কৰাৰ কথাও তেওঁ ঘোষণা কৰে। তেওঁ লগতে কয় যে এন ডি এফ বিৰ যিসকল সদস্যৰ বিৰুদ্ধে অতি ভয়াৱহ অপৰাধৰ গোচৰ নাই তেওঁলোকৰ গোচৰসমূহ অতিশীঘ্ৰে নিষ্পত্তি কৰা হ'ব। তেওঁলোকৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা (এন আই এ)ৰ ওচৰত

বিচাৰাধীন গোচৰসমূহ অসম চৰকাৰলৈ হস্তান্তৰৰ ব্যৱস্থাও গ্ৰহণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। আত্মসমৰ্পণকাৰী এন ডি এফ বি কেডাৰসকলক তেওঁলোকৰ যোগ্যতা অনুযায়ী বিভিন্ন চৰকাৰী খালী পদত নিযুক্তিৰো ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বড়ো আন্দোলনৰ শ্বহীদসকলৰ পৰিয়ালবৰ্গলৈ সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে অসম চৰকাৰে বড়ো আন্দোলনত মৃত্যুবৰণ কৰা প্ৰতিগৰাকী শ্বহীদৰ নিকটাত্মীয়লৈ পাঁচ লাখ টকাকৈ এককালীন অনুদান আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জ'হ'লাও স'মল্লা বসুমতাৰীৰ পত্নীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অনাগত দিনসমূহত বড়োভূমিত শান্তি আৰু উন্নয়নৰ এক নতুন অধ্যায় আৰম্ভ কৰাৰ  বাবে কাম কৰি যাবলৈ তেওঁৰ প্ৰতি আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰ, ভূমি সংৰক্ষণ তথা বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বি টি চিৰ মুৰব্বী প্ৰমোদ বড়ো, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়োৰ লগতে বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, ইউ পি পি এলৰ কাৰ্যকৰী সভাপতি তথা কাজলগাঁও পৌৰসভাৰ পৌৰপতি ৰণগৌড়া নাৰ্জাৰীৰ চিৰাং জিলাৰ দাংতলৰ তিলকগাঁওস্থিত বাসগৃহত উপস্থিত হৈ তেওঁৰ সৈতে এক সৌহাদ্যপূৰ্ণ বাৰ্তালাপত মিলিত হয়।

সুঃদঃ/প্ৰঃকুঃবঃ
৩০-০৭-২০২১